# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ নৱনিৰ্মিত ইনড’ৰ ষ্টেডিয়াম উদ্বোধন কৰে। অসম চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজি আঁচনিৰ অধীনত ৭ কোটি ৯৪ লাখ টকা ব্যয় সাপেক্ষে এই ষ্টেডিয়ামটো নিৰ্মাণ কৰি উলিয়াইছে। ৬খন টেবুল টেনিছ ব’ৰ্ড আৰু ৫খন বেডমিণ্টন ক’ৰ্ট সংযুক্তকৰণেৰে নিৰ্মাণ কৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই ষ্টেডিয়ামৰ নৱসংযোজনে গোলাঘাট জিলা ক্ৰীড়া ক্ষেত্ৰক নতুন ৰূপ দিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ক্ৰীড়া প্ৰকল্পও মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধা জনোৱাৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতি আগ্ৰহী হ’বলৈ উৎসাহিত কৰে। অসমৰ থলুৱা খেলসমূহৰ সংৰক্ষণৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি ড০ শৰ্মাই কয়, যে এই ক্ৰীড়া প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ কৰা ক্ৰীড়া সংগ্ৰহালয়ত ৰাজ্যখনৰ প্ৰায় প্ৰতিগৰাকী বিশিষ্ট ক্ৰীড়াবিদৰ সফলতাসমূহ প্ৰদৰ্শনৰ লগতে পৰম্পৰাগত খেলসমূহৰ সংৰক্ষণৰো ব্যৱস্থা কৰা হৈছে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি জিলাখনত এটা খোৱাপানী যোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন কাৰ্যসূচীতো ভাগ লয়। ধনশিৰি নৈৰ পানীৰে গোলাঘাট জিলাৰ ৫৫ হাজাৰ লোকক ২৪ ঘণ্টাই খোৱাপানী যোগানৰ বাবে ১৩০ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প নিৰ্মাণ কৰা হ’ব। তেওঁ লগতে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ  নৱনিৰ্মিত নাটঘৰো উদ্বোধন কৰে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে পুৱাৰ ভাগত দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীৰ নৱনিৰ্মিত চৌহদত গছপুলি ৰোপণ কৰে।

ooooo

যোৰহাট জিলা দিৱস উদযাপনৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি জিলা প্ৰশাসনৰ উদ্যোগত আৰু  লোক নিৰ্মাণ বিভাগৰ সৌজন্যত যোৰহাট পৌৰ সভা এলেকাৰ অন্তৰ্গত ক্লাব ৰোড, নআলি আৰু জিলাখনৰ কাকডোঙা নদীৰ সোঁ কাষৰ মথাউৰি আৰু পথত গছপুলি ৰোপণ কৰা হয়। জিলা আয়ুক্ত, তিতাবৰ সম-জিলা আয়ুক্ত আৰু তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়কৰ উপস্থিতিত পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ চেতনা প্ৰবহমান কৰাৰ লক্ষ্যৰে  এই কাৰ্যসূচী হাতত লোৱা হয়। ইয়াৰ পূৰ্বে যোৰহাট পৌৰসভা এলেকাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু গুৰুত্বপূৰ্ণ ৰাজহুৱা স্থানসমূহত দেৱাল চিত্ৰ অংকন প্ৰতিযোগিতাও জিলা দিৱস উপলক্ষে আয়োজন কৰা হয়। জিলাখনৰ চহকী সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰাৰ লগতে জনগোষ্ঠীয় সংযোগৰ প্ৰসাৰৰ উদ্দেশ্যে জিলা প্ৰশাসনৰ উদ্যোগত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

ooooo

মুখ্যমন্ত্ৰীৰ **এটি কলি দুটি পাত** শীৰ্ষক আঁচনিখন ডিব্ৰুগড় জিলাত ৰূপায়ণ সন্দৰ্ভত আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে বাগিচাসমূহৰ কৰ্তৃপক্ষক নিজ নিজ চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিক তথা কৰ্মচাৰীৰ তালিকা, আধাৰ কাৰ্ডৰ প্ৰতিলিপি আৰু বেংক একাউণ্টৰ সবিশেষ জিলা আয়ুক্তৰ কাৰ্যালয়ত শীঘ্ৰেই জমা দিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে কৰ্মচাৰীসকললৈ ৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই আঁচনিখন আৰম্ভ কৰিছে।

০০০০০

১৮৮২ চনত গঠন হোৱা শিলচৰ পৌৰসভা আজি পৌৰ নিগম হিচাপে স্বীকৃত হয়। পৌৰ সভাখনৰ ২৮ টা ৱাৰ্ডক ৪২ টালৈ বৃদ্ধি কৰি পৌৰ নিগম গঠন কৰিবলৈ অক্টোবৰৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ২০২২ চনৰ নৱেম্বৰ মাহত শিলচৰ পৌৰ সভাক নিগম হিচাপে গঠন কৰাৰ বিষয়ে ঘোষণা কৰা হৈছিল। যোৱা বছৰ এই ঘোষণাৰ পৰিপ্ৰেক্ষিতত শিলচৰ পৌৰ নিগম গঠনৰ কাৰণে এটা বিজ্ঞপ্তিত জাৰি কৰা হৈছিল যদিও আজিহে শিলচৰ পৌৰসভাৰ কাৰ্যালয়ৰ নাম পৰিবৰ্তন কৰি পৌৰ নিগমৰ ফলক উন্মোচন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ কনাড পুৰকায়স্থ, বিধায়ক দিপায়ন চক্ৰৱৰ্তী আৰু শিলচৰ পৌৰ সভাৰ শেষৰজন অধ্যক্ষ নিহাৰেন্দ্ৰ নাৰায়ন ঠাকুৰ উপস্থিত থাকে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত মুখ্য অতিথি কনাড পুৰকায়স্থই কয়, যে এই পদক্ষেপে মহানগৰখনৰ উন্নতিৰ দিশত তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ৰাজ্য চৰকাৰৰ উন্নয়নমূলক দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি শ্ৰী পুৰকায়স্থই কয়, যে বৰাক আৰু ব্ৰহ্মপুত্ৰৰ সমন্বয় সাধন কৰি উন্নয়নৰ বাট প্ৰসস্ত কৰাত এই ধৰণৰ পদক্ষেপ সহায়ক প্ৰতিপন্নিত হ'ব।

০০০০০

তিনিচুকীয়া জিলাৰ উজনি শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা দুৰ্যোগ প্ৰশমনৰ বিশেষ বুনিয়াদী প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। সপ্তাহজোৰা এই প্ৰশিক্ষণত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ বিষয়া প্ৰশিক্ষকসকলে বানত ক্ষতিগ্ৰস্ত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিব। এই প্ৰশিক্ষণ কাৰ্যসূচীত আজি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি অঞ্চলত আজিৰে পৰা দুমাহজোৰা কাৰ্যসূচীৰে শিশুৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ লক্ষ্যৰে অংগনৱাড়ী কৰ্মীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। মহিলা আৰু শিশু বিকাশ সঞ্চালকালয়ৰ সৌজন্যত ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহযোগত অনুষ্ঠিত এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ ৰংখাং আৰু ছ'ছেং খণ্ডৰ অৰ্দ্ধশতাধিক অংগনৱাড়ী কৰ্মীয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ শিবিৰত বিশেষকৈ শিশুৰ শাৰীৰিক, সামাজিক, আৱেগিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হ'ব বুলি ৰংখাং শিশু উন্নয়ন প্ৰকল্প বিষয়াই প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত